জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৬৭৪/২০২০

# বড়োলেণ্ড টেৰিটৰিয়েল ৰিজনৰ সাম্প্ৰতিক পৰিস্থিতি সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত সৰ্বদলীয় বৈঠক

## ৰাজনৈতিক দলসমূহৰ মতামতক গুৰুত্বসহকাৰে লৈ, স্বাস্থ্যবিধি অটুত ৰাখি, বিটিআৰৰ জনসাধাৰণৰ স্বাৰ্থত গণতান্ত্ৰিক প্ৰক্ৰিয়াক আগবঢ়াই নিয়াৰ উদ্দেশ্যৰে ৰাজ্য চৰকাৰে সঠিক পদক্ষেপ গ্ৰহণ কৰিব ঃ মুখ্যমন্ত্ৰী

## ৰাজ্যত সুস্থ গণতান্ত্ৰিক পৰিৱেশ অটুত ৰখাৰ বাবে চৰকাৰ আৰু বিৰোধী দল সকলোৱে 'টীম অসম'ৰ ধাৰণাৰে কাম কৰিব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৬ অক্টোবৰ ঃ** বড়োলেণ্ড টেৰিটৰিয়েল ৰিজনৰ সাম্প্ৰতিক পৰিস্থিতি সন্দৰ্ভত আলোচনা কৰাৰ বাবে আজি অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ অধ্যক্ষতাত এখন সৰ্বদলীয় বৈঠক অনুষ্ঠিত হয়। মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণই আদৰণী ভাষণেৰে আৰম্ভ কৰা উক্ত বৈঠকৰ আৰম্ভণিতে স্বাস্থ্য বিভাগৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহাই ৰাজ্যখনৰ শেহতীয়া ক'ভিড পৰিস্থিতিৰ অৱলোকনেৰে এক প্ৰেজেন্টেশ্যন আগবঢ়ায়। ইয়াৰ পিছতে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিজৰ বক্তব্যত ৰাজ্যখনৰ শেহতীয়া ক'ভিড পৰিস্থিতি অৱলোকন কৰাৰ লগতে আগন্তুক দুৰ্গাপূজা তথা  দ্বীপান্বিতাৰ দৰে উৎসৱৰ বতৰত সম্ভাব্য ক'ভিড সংক্ৰমণ বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি বিটিচিৰ নিৰ্বাচন আগন্তুক ডিচেম্বৰ মাহত অনুষ্ঠিত কৰাৰ পোষকতা কৰি এই বিষয়ে ইতিমধ্যে মুখ্যমন্ত্ৰীৰ ওচৰত প্ৰস্তাৱ  উত্থাপন কৰিছে বুলি কোৱাৰ লগতে মুখ্যমন্ত্ৰীৰ নিৰ্দেশক্ৰমে এই বিষয়ত সকলো দলৰে মতামত গ্ৰহণ কৰাৰ বাবে আজিৰ এই সৰ্বদলীয় বৈঠকখন ৰাজ্য চৰকাৰে অনুষ্ঠিত কৰিছে বুলিও কয়। তেওঁ লগতে কয় যে মুখ্যমন্ত্ৰীয়ে  এই সম্পৰ্কত সকলো ৰাজনৈতিক দলৰ স্থিতি ব্যক্ত কৰাৰ বাবে আজিৰ এই বৈঠকখন অনুষ্ঠিত কৰিছে।

ইয়াৰ পিছতে কোকৰাঝাৰ লোকসভা সমষ্টিৰ সাংসদ নব কুমাৰ শৰণীয়া, ইউ পি পি এলক প্ৰতিনিধিত্ব কৰা  প্ৰমোদ বড়ো, বিপিএফ দলৰ ৰবিৰাম নাৰ্জাৰী, এ আই ইউ ডি এফৰ আমিনুল ইছলাম, ভাৰতীয় জাতীয় কংগ্ৰেছৰ  দুৰ্গা দাস বড়ো, চি পি আই (এম)ৰ দেবেন  ভট্টাচাৰ্য, ভাৰতীয় গণ পৰিষদৰ সুকান্ত মজুমদাৰ, ভোটাৰ্চ পাৰ্টি ইন্টাৰনেশ্যনেলৰ ললিত পেগু, অসম গণ পৰিষদৰ কেশৱ মহন্ত, ভাৰতীয় জনতা

পাৰ্টিৰ জয়ন্ত কুমাৰ দাসে ক'ভিড পৰিস্থিতিৰ এই জটিল সন্ধিক্ষণত বিটিচিৰ নিৰ্বাচন অনুষ্ঠিত কৰা সম্পৰ্কত নিজ নিজ দলৰ দৃষ্টিভংগী উত্থাপন কৰে।

বৈঠকত অধ্যক্ষতা কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে বিটিআৰত আজি যি পৰিস্থিতি উদ্ভৱ হৈছে সেই কথা বিস্তৃতভাৱে আলোচনা কৰাৰ বাবে আজিৰ এই বৈঠকখন অনুষ্ঠিত কৰা হৈছে। এই বৈঠকত উপস্থিত থাকি প্ৰত্যেকটো দলে বিটিচিৰ নিৰ্বাচন সম্পৰ্কত নিজৰ নিজৰ মত দাঙি ধৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে সকলোকেইটা ৰাজনৈতিক দলৰ প্ৰতিনিধিসকলক আন্তৰিকভাৱে ধন্যবাদ জ্ঞাপন কৰাৰ লগতে সকলো দলে সন্মিলিতভাৱে গণতান্ত্ৰিক প্ৰক্ৰিয়া অব্যাহত ৰখাৰ দিশত কাম কৰিব লাগিব বুলিও কয়। এই ক্ষেত্ৰত চৰকাৰ আৰু বিৰোধী দল সকলোৱে 'টীম অসম'ৰ ধাৰণাৰে কাম কৰিব লাগিব বুলিও কয়। আজিৰ বৈঠকত উপস্থিত থকা ৰাজনৈতিক দলসমূহে উত্থাপন কৰা মতামতসমূহ লিপিবদ্ধ কৰা হৈছে বুলি উল্লেখ কৰি কাইলৈ অনুষ্ঠিত হ'বলগীয়া কেবিনেট বৈঠকতো এই সম্পৰ্কত বিস্তৃতভাৱে আলোচনা কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই সমগ্ৰ প্ৰক্ৰিয়াত বিটিআৰৰ জনসাধাৰণ যাতে কোনো ধৰণৰ ক্ষতিগ্ৰস্ত নোহোৱাকৈ গণতান্ত্ৰিক প্ৰক্ৰিয়াটোক আগবঢ়াই নিব পৰা যায় সেই দৃষ্টিকোণ আগত ৰাখিয়েই ৰাজ্য চৰকাৰে সঠিক সিদ্ধান্ত ল'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। স্বাস্থ্য বিধি অটুত ৰাখি গণতান্ত্ৰিক প্ৰক্ৰিয়াক আগবঢ়াই নিয়াৰ দিশত ৰাজ্য চৰকাৰে পদক্ষেপ ল'ব বুলি উল্লেখ কৰি আগন্তুক দিনত শাসক-বিৰোধীৰ মিলিত প্ৰচেষ্টাৰে এনেদৰে জনসাধাৰণক সেৱা কৰাৰ বাবে ৰাজ্য চৰকাৰে ইতিবাচক পদক্ষেপ লৈ যাব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। গণতান্ত্ৰিক ব্যৱস্থা ৰক্ষা আৰু স্বাস্থ্য সুৰক্ষাৰ সন্তুলনেৰে বিটিআৰৰ নিৰ্বাচন সম্পৰ্কত আগন্তুক দিনত সিদ্ধান্ত লোৱা হ'ব বুলিও তেওঁ কয়।

আজিৰ এই সৰ্বদলীয় বৈঠকত উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, কৃষি মন্ত্ৰী অতুল বৰা, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী চন্দন ব্ৰহ্ম, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী ৰিহণ দৈমাৰী, জলসিঞ্চন বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী ভবেশ কলিতা, মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণ, গৃহ আৰু ৰাজনৈতিক বিভাগৰ দায়িত্ব থকা অতিৰিক্ত মুখ্য সচিব জিষ্ণু বৰুৱাকে ধৰি বিভিন্ন ৰাজনৈতিক দলৰ সভাপতি, সম্পাদক  তথা অন্যান্য বিষয়ববীয়াসকলে অংশগ্ৰহণ কৰে।

**বঃভাঃ / প্ৰঃকুঃবঃ**
**৬/১০/২০২০**